অধ্যায় ১২ ঃ সত্রীয়া সংস্কৃতি

অধ্যায় গাঁথনি

১২.১ উদ্দেশ্য
১২.২ পৰিচয়
১২.৩ সত্র ঃ সাধাৰণ পৰিচয়
১২.৪ সত্রৰ সংজ্ঞা, গঠন প্ৰণালী আৰু শ্ৰেণী বিভাজন
১২.৫ সত্রীয়া সঙ্গীত, নৃত্য আৰু অঙ্কীয়া নাট
১২.৬ সত্রীয়া চিত্ৰকলা
১২.৭ সত্রৰ ধৰ্মীয় আচাৰ
১২.৮ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ
১২.৯ অধিক জানিবলৈ
১২.১০ অগ্ৰগতিৰ খতিয়ান (কৱল ৰূপৰেখা)
১২.১১ আৰ্হি প্ৰশ্ন

১২.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- অসমীয়া সংস্কৃতিলৈ সত্রৰ অৱদান সম্পৰ্কে কিছু কথা জানিব পাৰিব
- সত্রৰ সংজ্ঞা, ইয়াৰ গঠন প্ৰণালী আৰু শ্ৰেণী বিভাজন সম্পৰ্কে মূল্যায়ন কৰিব পাৰিব
- সত্রীয়া সঙ্গীত আৰু নৃত্যৰ বিষয়ে বিশ্লেষণ আগবঢ়াব পাৰিব
- সত্রক কেন্দ্ৰ কৰি সাহিত্য আৰু চিত্ৰকলাৰ কেনেদৰে বিকাশ হৈছিল সেই বিষয়েও সমীক্ষা আগবঢ়াব পাৰিব
- সৰ্বোপৰি সত্রীয়া তথা শঙ্কৰী সংস্কৃতিয়ে অসমীয়া জাতীয় জীৱনক কেনেদৰে সমৃদ্ধ কৰি ৰাখিছে সেই বিষয়েও সামগ্ৰিক ধাৰণা এটা লাভ কৰিব পাৰিব।

১২.২ পৰিচয়

ইয়াৰ আগৰ অধ্যায়টিত অসমৰ নৱবৈষ্ণৱ ধৰ্মৰ বিষয়ে ধাৰণা লাভ কৰিলে। এই অধ্যায়টিত আপুনি সত্রীয়া সংস্কৃতি সম্পৰ্কে অধ্যয়ন কৰিব।

অধ্যায়টিত সত্রীয়া সংস্কৃতিৰ বিষয়ে পৰিচয় জ্ঞাপন কৰাৰ লগতে এই সংস্কৃতিয়ে অসমীয়া জাতীয় জীৱনলৈ কেনে ধৰণে অৱদান আগবঢ়াই আহিছে সেই বিষয়ে আলোচনা আগবঢ়োৱা হ'ব। অধ্যায়টিৰ অধ্যয়নে আপোনাক সত্রীয়া সংস্কৃতি সম্পৰ্কে বিস্তৃত জ্ঞান প্ৰদান কৰিব।

১২.৩ সত্র ঃ সাধাৰণ পৰিচয়

অসমৰ ধর্মীয় আৰু সংস্কৃতিৰ বুৰঞ্জীত 'সত্রীয়া সংস্কৃতি'য়ে এক বিশেষ স্থান লাভ কৰিবলৈ সক্ষম হৈছে। ধর্ম বা ধর্মীয় ঐতিহ্যক কেন্দ্র কৰি সংস্কৃতিৰ অন্তর্গত বিভিন্ন উপাদানসমূহ বিকশিত হয়। অসমতো বৈষ্ণৱ ধর্মক কেন্দ্র কৰি সাহিত্য, সঙ্গীত, নৃত্য, চিত্রকলা আদি বিভিন্ন উপাদান-সমূহৰ উৎকর্ষ সাধন হৈছিল। 'সত্রীয়া সংস্কৃতি'ক বুজাবলৈ কেতিয়াবা 'শঙ্কৰী সংস্কৃতি', কেতিয়াবা 'সত্র-সংস্কৃতি', কেতিয়াবা 'বৈষ্ণৱ সংস্কৃতি' আদি বিভিন্ন পৰিভাষা ব্যৱহাৰ কৰা হয়। এনেবোৰ নামৰ ক্ষেত্রত সামান্য আক্ষৰিক পার্থক্য থাকিলেও অর্থৰ ফালৰ পৰা প্রায় একে।

অসমৰ ধর্মীয় আৰু সাংস্কৃতিক জীৱনত বৈষ্ণৱ সত্রসমূহে পাঁচশ বছৰৰো অধিক কাল বিশেষ ভূমিকা গ্রহণ কৰি আহিছে। অসমৰ এটা মূৰৰ পৰা আন এটা মূৰলৈ গাঁৱৰ চুকে-কোণে সত্রবোৰ সংস্থাপন হৈ সমস্ত অসমবাসীক এটা ধর্মৰ ডোলেৰে বান্ধি ঐক্য আৰু সংহতি প্রতিষ্ঠাত প্রভূত বৰঙণি যোগাইছে। সত্র প্রতিষ্ঠাৰ ফলত সমস্ত ব্রহ্মপুত্র উপত্যকাত মহাপুৰুষসকল আৰু বৈষ্ণৱ কবিসকলৰ ৰচনাৱলীৰ যোগেদি অসমীয়া ভাষা আৰু সাহিত্যই জনসমাজত দৃঢ়ভাৱে প্রতিষ্ঠা লাভ কৰিবলৈ সক্ষম হয়। সত্রবোৰেই বৈষ্ণৱ সাহিত্যৰ বিকিৰণ কেন্দ্র আছিল। সত্রবোৰে অসমৰ জনসাধাৰণক নৈতিক আৰু আধ্যাত্মিক শিক্ষা দান কৰি উন্নত জীৱন যাপনৰ পথ নির্দেশ কৰিছিল। পৰিষ্কাৰ-পৰিচ্ছন্নতা, সদাচাৰ, সুপ্রবৃত্তিৰ কর্ষণ আৰু কু-প্রবৃত্তিৰ দমন, পৰিমার্জিত ব্যৱহাৰ, ভগৱদভক্তিৰ প্রণালী, ইশ্বৰতত্ত্ব, দেহতত্ত্ব, জীৱ তৰণৰ উপায়— এই গোটেইবোৰ কথা সত্রৰ যোগেদি জনসাধাৰণে লাভ কৰিছিল। সেই কাৰণে পুৰণি সমাজখনৰ নৈতিক আৰু আধ্যাত্মিক উন্নতিত সত্রৰ বিশেষ বৰঙণি আছে। নিম্ন বর্ণৰ মানুহক, অৱহেলিতসকলক ধর্মত দীক্ষা দি বৃহত্তৰ অসমীয়া জাতীয় গঠনত বৰঙনি যোগাইছে। অসমত যে অস্পৃশ্যতাবাদৰ প্রভাৱ নাই তাৰ মূলতে সত্রসমূহ। আনহাতে, সত্রসমূহ আছিল শিক্ষাৰ একো একোটা কেন্দ্রস্থান স্বৰূপ। প্রত্যেক প্রতিষ্ঠিত সত্রতে ভক্ত আৰু ভকতসকলৰ ল'ৰা-ছোৱালীক শিক্ষা দিয়াৰ ব্যৱস্থা আছিল। বহুতো সত্রত ছাত্রশাল বা টোল আছিল, য'ত পণ্ডিতসকলে ব্যাকৰণ, জ্যোতিষ, ধর্মশাস্ত্র, কাব্য আদি অধ্যয়ন কৰাৰ ব্যৱস্থা কৰিছিল। সাঁচিপাতৰ পুথিসমূহ আছিল একো-একোটা গ্রন্থাগাৰ স্বৰূপ। ভাগৱত পাঠ, ধর্মশাস্ত্র ব্যাখ্যা আদিৰ যোগেদি পৌৰাণিক আখ্যান, নৈতিক আদর্শ, ধর্মীয় তত্ত্বৰ লগত পৰিচয় হৈছিল। 'ধর্মৰ বা অধর্মৰ পৰাজয়', 'শান্তক পালন দুষ্টক দমন' আদি নৈতিক বাণীসমূহে আদর্শ জীৱন-যাপনৰ বাবে অনুপ্রাণিত কৰিছিল। সেইদৰে সঙ্গীত, নৃত্য, কাৰু আৰু চাৰুকলা, সাহিত্য আদি বিভিন্ন ক্ষেত্রলৈ সত্রসমূহে অৱদান আগবঢ়াই আহিছে।

ধর্ম আৰু ধর্মীয় ঐতিহ্যক কেন্দ্র কৰি সংস্কৃতিৰ অন্তর্গত বিভিন্ন উপাদানসমূহ বিকশিত হৈ উঠে। অসমতো বৈষ্ণৱ ধর্মক কেন্দ্র কৰি সত্রীয়া সংস্কৃতিৰ জন্ম হৈছিল আৰু ঐশ্বর্য তথা গৌৰৱপূর্ণ ঐতিহ্যই সমগ্র অসমীয়া সংস্কৃতিকে ধন্য কৰি তুলিছিল। এই ধর্ম তথা সত্রসমূহে পূর্বৰ ধর্মীয় খেলি-মেলি দূৰ কৰি মানুহৰ মানসিক উৎকর্ষ আৰু মানৱীয় সত্তাৰ বিকাশ সাধনৰ বাট মুকলি কৰি দিয়ে। শঙ্কৰদেৱৰ নামঘৰ, কীর্ত্তন ঘৰ তথা সত্রসমূহে বহুমুখী অনুদানলৈ ৰূপান্তৰিত

হয়। ই কেৱল উপাসনা গৃহই নহয়, এটা সামাজিক অনুষ্ঠান। সত্রসমূহক কেন্দ্র কৰিয়েই গীত, নাট, ভাওনা, উৎসৱ-পার্বণ আদি অনুষ্ঠিত হোৱাৰ উপৰি ই ঐক্য আৰু সংহতিৰ বান্ধোনো সুদৃঢ় কৰি তোলে। সেইবাবে সময়ৰ পৰিৱর্তন আৰু নানা সংঘাতৰ পিছতো সত্রসমূহে প্রাসঙ্গিকতা হেৰুওৱা নাই।

১২.৪ সত্রৰ সংজ্ঞা, গঠন প্রণালী আৰু শ্রেণী বিভাজন

মধ্যযুগত প্রতিষ্ঠিত অসমৰ সত্রসমূহ হ'ল সামূহিক উপাসনা গৃহ তথা বৈষ্ণৱ ধর্ম চর্চাৰ কেন্দ্রস্থল। প্রাক্-শঙ্কৰী যুগত অসমৰ তান্ত্রিক বৌদ্ধসকলৰ মাজত 'বৌদ্ধ বিহাৰ' নামৰ সামূহিক উপাসনা গৃহৰ অস্তিত্ব আছিল। বিহাৰত বুদ্ধ মূর্তি থাকে আৰু সেই মূর্তিৰ সন্মুখত বহি ভক্তই প্রার্থনা কৰে। দেখাত বৌদ্ধ বিহাৰৰ মূল উদ্দেশ্যৰ লগত নামঘৰ বা সত্রসমূহৰ সাদৃশ্য আছে যদিও শঙ্কৰদেৱে নামঘৰক বহুমুখী অনুষ্ঠানত পৰিণত কৰে। সত্র আৰু নামঘৰ কেৱল উপাসনা স্থলেই নহয়, ই এটা জাতীয় অনুষ্ঠান।

অসমীয়া 'সত্র' শব্দটো সংস্কৃতৰ পৰা অহা— ইয়াৰ অর্থ দীর্ঘকালীন যজ্ঞ। বৈদিক সাহিত্যত তিনিবিধ যজ্ঞৰ কথা কোৱা হৈছে— একাহ, অহীন আৰু সত্র যজ্ঞ। যিবোৰ যজ্ঞ একেদিনতে সম্পন্ন হৈছিল তাক 'একাহ' যজ্ঞ বোলা হৈছে। যিবোৰ যজ্ঞ এদিনতকৈ বেছি কিন্তু বাৰ দিনতকৈ কম দিন ধৰি চলিছিল তাক 'অহীন' যজ্ঞ বোলা হৈছে। আনহাতে, যিবোৰ যজ্ঞ বাৰ দিনতকৈ অধিক কাল ব্যাপি অনুষ্ঠিত হৈছিল সেইবোৰক কোৱা হৈছিল 'সত্র যজ্ঞ'। বৈদিক সাহিত্যৰ পৰা এই শব্দটো কেনেকৈ অসমীয়ালৈ আহিল সেই প্রসঙ্গত সত্যেন্দ্রনাথ শর্মাই *ভাগৱত পুৰাণ*ৰ প্রসঙ্গ উল্লেখ কৰি কৈছে যে নৈমিষাৰণ্যত সৌনক আদি মুনিসকলে সহস্রকাল ব্যাপি সত্রানুষ্ঠান কৰোঁতে ঋষিসকলে উগ্রশ্রবা সুতক ভাগৱত ব্যাখ্যা কৰিবলৈ অনুৰোধ জনায়। ঋষিসকলৰ অনুৰোধ মর্মে সুতে ভাগৱতৰ ব্যাখ্যা শুনায়। যিহেতু সত্রক উপলক্ষ্য কৰি ভাগৱত চর্চা হৈছিল আৰু হৰিভক্তিৰ মাহাত্ম্য প্রকাশ হৈছিল, সেই বাবে অসমীয়া বৈষ্ণৱসকলে নৈমিষা সত্রৰ লাক্ষণিক অর্থকে প্রধানভাৱে গ্রহণ কৰি বৈষ্ণৱ ভক্তিৰ কেন্দ্র আৰু ভক্তসকলৰ সংযোগস্থল অর্থত 'সত্র' শব্দটো প্রয়োগ কৰিবলৈ ধৰে।

'সত্র' শব্দ মহাপুৰুষ শংকৰদেৱেই প্রথম ভাগৱতৰ অনুবাদত প্রয়োগ কৰি থৈ গৈছে। সেই অর্থত মূল ভাগৱতৰ আর্হিত শঙ্কৰদেৱেই সত্রৰ ধাৰণা আৰু তাত্ত্বিক ৰূপটো প্রতিষ্ঠা কৰি গৈছে। চৰিতকাৰসকলেও শঙ্কৰদেৱে বৰদোৱাৰ পৰা আৰম্ভ কৰি বেহাৰলৈকে ভ্রমণ কালত প্রতিষ্ঠা কৰা কীর্ত্তনঘৰ বাসস্থান নামক প্রতিষ্ঠানক 'সত্র' পতা বুলি অভিহিত কৰিছে। বৈষ্ণৱ সাহিত্যৰ ভিতৰতো 'সত্র' শব্দটোৰ প্রথম প্রয়োগ দেখা যায় অনন্ত কন্দলিৰ *বৃত্রাসুৰ বধ* নামৰ কাব্যত। কাব্যখনিৰ আত্ম-পৰিচয়ত কন্দলিৰ পিতৃ ৰত্ন পাঠক 'হাজো সত্র'ত বাস কৰিছিল বুলি উল্লেখ আছে। আনহাতে, বৈকুণ্ঠনাথ ভট্টাচার্যই তেওঁৰ *শৰণ মালিকা* নামৰ গ্রন্থত সত্রৰ সংজ্ঞা আগবঢ়াইছে। 'সত্র' সম্পর্কীয় এইটোৱেই প্রাচীনতম সংজ্ঞা। তাত আছে—

"যত্রাচৰন্তি সদ্ধৰ্মান্ কেৱলা ভগৱদ্‌প্রিয়া
নৱধা ভগৱদ্ভক্তিঃ প্রত্যহং যত্র ৱর্ত্ততে।
তদ্-সত্রমুত্তমং ক্ষেত্রং ৱৈষ্ণৱসুৰৱন্দিতম্
তত্রস্থা ৱৈষ্ণৱাঃ সৰ্ৱে হৰিৰ্নামপৰায়ণাঃ।।"

—ইয়াৰ অর্থ হ'ল সত্র একনিষ্ঠ ৱৈষ্ণৱ ভক্তসকলে নৱিধ ভক্তিৰ (শ্রৱণ, কীর্ত্তন, স্মৰণ, পাদসেৱন, অর্চন, ৱন্দন, দাস্য, সখ্য আৰু আত্ম নিৱেদন) আচৰণ কৰাৰ সংযোগ স্থল।

সত্রৰ এটা নির্দিষ্ট গঠন প্রণালীও আছে। এই প্রণালী কেইবাটাও শাখাত ৱিভক্ত। মণিকূট, নামঘৰ বা কীর্ত্তন ঘৰ, হাটী, অক্ষয়ৱন্তি, পাদশিলা, আসন, কৰগোট, সিংহদ্বাৰ আদিৰে পূর্ণাঙ্গ সত্র এখন গঢ় লৈ উঠে। সত্রৰ গৃহ নির্মাণ প্রণালীৰ প্রধান অংশ হ'ল কীর্ত্তনঘৰ বা নামঘৰ আৰু মণিকূট। মণিকূটৰ অন্য নাম ভাঁজঘৰ। এই ঘৰটো সাধাৰণতে ধেনুভিৰীয়া আৰু ই কীর্ত্তন ঘৰটোৰ পথালিকৈ পূৱ প্রান্তত অৱস্থিত। সত্রৰ ৱিগ্রহৰ পূজা-অর্চনা বা শাস্ত্রৰ থাপনা মণিকূটত কৰা হয়।

মণিকূটৰ পিছতে নামঘৰ বা সমূহীয়া প্রার্থনা ঘৰ। সাধাৰণতে ই পূৱা-পশ্চিমাকৈ থাকে। কীর্ত্তন ঘৰৰ দুয়োফালে থাকে দুখন আহল-বহল বাৰাণ্ডা। কীর্ত্তন ঘৰৰ খুঁটাবোৰ ডাঙৰ। কীর্ত্তন ঘৰত প্রার্থনা, ভাগৱত পাঠ, নাম-প্রসঙ্গ অনুষ্ঠিত হয়। কীর্ত্তন ঘৰৰ পশ্চিম মূৰত একোটাকৈ টুপ থাকে। টুপৰ ফালে থাকে মূল দুৱাৰ। এইখনকেই কোৱা হয় মুখ্যদ্বাৰ বা সিংহদ্বাৰ।

হাটী হ'ল ভকতসকলৰ বাসস্থান বা থকা ঠাই। সত্রাধিকাৰ, ডেকা সত্রাধিকাৰ, কেউলীয়া, ভকত আদি থাকিবলৈ সত্রৰ চৌহদত চাৰি শাৰী ঘৰ থাকে। ইয়াকে কোৱা হয় 'চাৰি হাটী'। পূর্ণাঙ্গ সত্র একোখনত চাৰিটাকৈ হাটী থাকিব লাগে। কিন্তু সকলো সত্রতে 'চাৰিহাটী' দেখিবলৈ পোৱা নাযায়।

'অক্ষয় ৱন্তি' সত্রৰ আন এক অপৰিহার্য অঙ্গ। 'অক্ষয় ৱন্তি' হ'ল মিঠাতেলৰ চাকি। ইয়াৰ প্রধান ৱৈশিষ্ট্য হ'ল— এই ৱন্তিৰ কোনো ক্ষয় নাই, অর্থাৎ এই চাকি কেতিয়াও নুমাব নালাগে। অহর্নিশে জ্বলি থাকে। কেতিয়াবা নুমাই গ'লে মূল সত্রৰ পৰা যথাৱিহিত নিয়মেৰে জুইৰ ৱন্তি কঢ়িয়াই আনি জ্বলোৱা হয়।

'পাদশিলা' হ'ল মহাপুৰুষ দুজনাৰ স্মৃতিচিহ্ন। কিছুমান সত্রত পাদশিলা ঘৰটোৰ ওপৰতে মঠ নির্মিত হৈছে। আনহাতে, সত্রৰ প্রধান প্রৱেশ পথত বাটচ'ৰা একোটা থাকে। ইয়াক 'কৰাপাট' বুলিও কোৱা হয়। এইবোৰৰ উপৰি ভালেমান সত্রত ভঁৰালঘৰ, ছোঁঘৰ, দৌলঘৰ, পুখুৰী, পকী কুঁৱা আদি দেখিবলৈ পোৱা যায়। আনহাতে, মণিকূট বা কীর্ত্তন ঘৰত 'গুৰু আসন' বা 'সিংহাসন' সত্রৰ এক অপৰিহার্য অঙ্গ। এনেদৰে আলোচনা কৰিলে দেখা যায় যে ৱৈষ্ণৱ ধর্মৰ উপাসনা স্থল সত্রৰ এটা সুকীয়া তথা নির্দিষ্ট গঠন প্রণালী আছে। অৱশ্যে সকলোবোৰ সত্রই এই গঠন প্রণালী মানি সত্র প্রতিষ্ঠা কৰা দেখা যায়।

প্রকৃতি অনুসৰি সত্রসমূহক তিনিটা প্রধান ভাগত ভগাব পাৰি— উদাসীন, অর্দ্ধ-উদাসীন আৰু গৃহস্থী। যিবোৰ সত্র কেৱল উদাসীন বা কেৱলীয়া ভকতৰ বাসস্থান, যিবোৰ সত্রৰ চৌহদত গৃহস্থী জীৱন-যাপন কৰিবলৈ দিয়া নহয়, য'ত নাৰীৰ ৰাত্রিবাস নিষেধ; কেৱল ঈশ্বৰ-চিন্তা আৰু

উপাসনা ভকতৰ প্ৰধান লক্ষ্য তাকে উদাসীন সত্ৰ বোলে। আউনীআটী, দক্ষিণপাট, কমলাবাৰী উদাসীন সত্ৰৰ অন্তৰ্গত।

যিবোৰ সত্ৰত উদাসীন আৰু গৃহস্থী দুয়ো ধৰণৰ ভকত থাকে তাকে অৰ্দ্ধ-উদাসীন সত্ৰ বোলে। এনেবোৰ সত্ৰৰ এটা নিৰ্দিষ্ট দিশত উদাসীন হাটী আৰু তাৰ বিপৰীতে আন এটা নিৰ্দিষ্ট দিশত গৃহী বা গৃহস্থীসকলৰ হাটীৰ ব্যৱস্থা থাকে। বৰপেটা সত্ৰ অৰ্দ্ধ-উদাসীন সত্ৰৰ নিদৰ্শন।

আনহাতে, যিবোৰ সত্ৰৰ সত্ৰীয়া বা ভকতসকলে আন দহজনৰ দৰে সাংসাৰিক জীৱন-যাপন কৰে তাক গৃহস্থী সত্ৰ বোলে। অসমৰ বেছিভাগ সত্ৰই এই শ্ৰেণীৰ। এনেবোৰ সত্ৰত ভকতসকল হাটীত নাথাকে বা এই শ্ৰেণী সত্ৰৰ বেছিভাগতে হাটীৰ ব্যৱস্থা নাই।

সত্ৰসমূহ প্ৰতিষ্ঠাৰ ভিত্তি হিচাপে লৈ সত্ৰক আন তিনি প্ৰকাৰে তিনিটা ভাগত বিভক্ত কৰা হৈছে— মূল সত্ৰ, আজ্ঞাপৰ সত্ৰ আৰু শলাবন্তি সত্ৰ। যিকেইখন সত্ৰ মহাপুৰুষ দুজনাই নিজে স্থাপন কৰিছিল তাক 'মূল সত্ৰ' হিচাপে জনা যায়। বৰদোৱা, বৰপেটা আদি এই শ্ৰেণীৰ সত্ৰ। আনহাতে, গুৰুৰ আজ্ঞা লৈ যিবোৰ সত্ৰ প্ৰতিষ্ঠা কৰা হৈছিল সেইবোৰক কোৱা হয় 'আজ্ঞাপৰ সত্ৰ'। এই শ্ৰেণীৰ সত্ৰ অসমৰ বিভিন্ন ঠাইত ভালে সংখ্যক আছে। একেদৰে, যিবোৰ সত্ৰ মূল সত্ৰৰ পৰা বন্তি আনি প্ৰতিষ্ঠা কৰা হৈছে সেইবোৰক কোৱা হয় 'শলাবন্তি' সত্ৰ। এই শ্ৰেণীৰ সত্ৰৰ সংখ্যাও যথেষ্ট পৰিমাণে আছে।

মহাপুৰুষ শঙ্কৰদেৱৰ মৃত্যুৰ পিছত অসমৰ বৈষ্ণৱ সম্প্ৰদায় চাৰিটা ভাগত বিভক্ত হৈ পৰিল। ইয়াক 'চাৰি সংহতি' বুলিও কোৱা হয়। সেই সংহতিকেইটা হ'ল— ব্ৰহ্ম সংহতি, পুৰুষ সংহতি, নিকা সংহতি আৰু কাল সংহতি।

ব্ৰহ্ম সংহতি বুলি ক'লে মূলতঃ হৰিদেৱ আৰু দামোদৰদেৱৰ নেতৃত্ব আৰু আজ্ঞাৰে প্ৰতিষ্ঠিত আৰু প্ৰসাৰিত সত্ৰসমূহকে বুজায়। আউনীআটী, দক্ষিণপাট, গড়মূৰ, কুৰুৱাবাহী — এই কেইখন ব্ৰহ্ম সংহতিৰ সত্ৰ।

আনহাতে, পুৰুষ অনুযায়ী অৰ্থাৎ শঙ্কৰদেৱৰ জীয়ৰীৰ নাতি পুৰুষোত্তম ঠাকুৰ, চতুৰ্ভূজ ঠাকুৰৰ ফালৰ পৰা অহা সত্ৰসমূহক পুৰুষ সংহতি নামে জনা যায়। নৰোৱা, কোৱামৰা, দীঘলী আৰু চামগুৰি এই চাৰিখন সত্ৰ পুৰুষ সংহতিৰ অন্তৰ্গত।

মথুৰা দাস বুঢ়া আতা আৰু গোপাল মিশ্ৰৰ লগত চতুৰ্ভূজ ঠাকুৰৰ মনোমালিন্যৰ ফলস্বৰূপে মথুৰা দাসৰ সহযোগীসকলে ফালৰি কাটি আহি নিকা বা নিষ্ঠা সংহতিৰ সৃষ্টি কৰে। আদিতে এইসকল পুৰুষ সংহতিৰ ভিতৰুৱা আছিল। নিকা সংহতিৰ ঘাই সত্ৰ কেইখন হ'ল— বৰপেটা, মধুপুৰ আৰু কমলাবাৰী।

মাধৱদেৱৰ অন্যতম প্ৰিয় শিষ্য গোপাল আতাৰ যোগেদি আন এক সংহতিৰ সৃষ্টি হয়। সেই সংহতিক কোৱা হয় কাল সংহতি। গোপাল আতাৰ মূল সত্ৰ আছিল কালঝাৰ সত্ৰ। এই কালঝাৰৰ পৰাই এই সংহতিৰ নাম হয় 'কাল সংহতি'।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ১ ঃ 'সত্র' কাক বোলে ? সত্রৰ 'চাৰি সংহতি' কাক বোলে ? এই চাৰি সংহতি কি কি ? (১৫০টা শব্দৰ ভিতৰত লিখক)

১২.৫ সত্রীয়া সঙ্গীত, নৃত্য আৰু অঙ্কীয়া নাট

মহাপুৰুষ শঙ্কৰদেৱে অসমীয়া জাতিটোৰ প্রতিজনকে স্বৰূপতে গায়ক, ভাৱৰীয়া, নাট-নটুৱা কৰি থৈ গ'ল। নৱ-বৈষ্ণৱ আন্দোলনৰ ফলত ভাৰতবর্ষৰ বিভিন্ন প্রদেশৰ দৰে অসমতো গীতিকবিতা বা লিৰিকৰ জন্ম হয়। শ্রীকৃষ্ণৰ জীৱন আৰু কার্যকলাপক কেন্দ্র কৰি আৰু ভক্তিৰ পৱিত্রতাক প্রস্ফুটিত কৰি শঙ্কৰদেৱে ভালেখিনি ধর্ম সঙ্গীত ৰচনা কৰিলে। শঙ্কৰ-মাধৱদেৱ প্রমুখ্যে নৱ-বৈষ্ণৱ আন্দোলনৰ নেতাসকলে সাহিত্যৰ দৰে সঙ্গীতকো প্রচাৰৰ মাধ্যম ৰূপে গ্রহণ কৰিছিল। সর্বভাৰতীয় নৱবৈষ্ণৱ আন্দোলনৰ লগত সম্বন্ধ ৰাখিবলগীয়া হোৱাত গীত আৰু আন নাট্য সাহিত্যত গহীন, গধুৰ ভক্তিৰ ভাব প্রকাশৰ কাৰণে গহীন অথচ মধুৰ ভাষা ব্রজবুলিৰ আশ্রয় ল'লে। শঙ্কৰ-মাধৱৰ দ্বাৰা ব্রজবুলিত ৰচিত গীতসমূহ পৰৱর্তী যুগত বৰগীত নামে জনাজাত হয়। বৰগীতৰ ভাষা ব্রজবুলি বা ব্রজাৱলী। বৰগীতসমূহ অসমৰ ধ্রুপদী বা ক্লাছিকেল সঙ্গীত। বিষয়বস্তুৰ মহত্ব, ৰচনাভঙ্গীৰ সৌন্দর্য, সুৰৰ গাম্ভীর্য আৰু প্রকাশৰ সংযমে বৰগীতক অন্যান্য গীতৰ পৰা পৃথক কৰিছে। এই বৰগীতৰ লগত খোলৰ প্রচলন হ'ল। বৰগীতসমূহ সমাজত গাই লোকৰঞ্জন কৰাৰ সলনি প্রার্থনাৰ গীত স্বৰূপে প্রচলিত হ'ল। এই নতুন ধাৰাই অসমীয়া জনসাধাৰণক মার্গীয় সঙ্গীতমুখী কৰি তুলিলে। বৰগীতবোৰত শ্রীকৃষ্ণৰ বিশাল পুৰুষত্ব ফুটি ওলাইছে। গীতবোৰত শান্ত, বাৎসল্য আৰু দাস্য ভাবৰ প্রাধান্য দেখা যায়। অতি প্রাচীন কালৰে পৰা কামৰূপত সঙ্গীত আদি কলাৰ সূক্ষ্ম চর্চা থাকিলেও শঙ্কৰদেৱৰ বৰগীতে শাস্ত্রীয় সঙ্গীতৰ এটা নতুন অধ্যায়ৰ সূচনা কৰে। সঙ্গীত শাস্ত্রৰ বিধি মতে বৰগীতবোৰ পূর্ণ পর্যায়ৰ গীত। কিন্তু নাটৰ আটাইবোৰ গীত পূর্ণ পর্য্যায়ৰ নহয়। শঙ্কৰদেৱ বিৰচিত গীতবোৰে কেনেকৈ প্রধান প্রধান শিষ্যসকলক তেওঁৰ ওচৰলৈ আকর্ষণ কৰি আনিছিল তাক *চৰিত পুথিত* পোৱা যায়। সাহিত্য-কলা আৰু সঙ্গীত-কলা উভয় দিশৰ পৰা বৰগীতৰ এক বিশেষ আবেদন আছে।

অসমৰ এগৰাকী প্রসিদ্ধ সঙ্গীতজ্ঞ তথা শিক্ষাবিদ বীৰেন্দ্র নাথ দত্তই সত্রীয়া সঙ্গীত বা বৰগীতত দুটা সুকীয়া পৰম্পৰাৰ অস্তিত্ব বিচাৰি পাইছে। এটা হ'ল সর্বভাৰতীয় পৰম্পৰা আৰু আনটো হ'ল অসমীয়া পৰম্পৰা। বৰগীতৰ যি সঙ্গীত পদ্ধতি সি সর্বভাৰতীয় ৰাগ সঙ্গীত পদ্ধতিৰেই এক বিশেষ ৰূপ। বৰগীতত থকা শ্যাম, কল্যাণ, অহিৰ, ললিত, বসন্ত, ধনশ্রী আদি ৰাগৰ নাম ভাৰতীয় শাস্ত্রীয় সঙ্গীতৰ জগতত সুপ্রচলিত। মাত্র বৰগীতত এই ৰাগবোৰৰ নিজস্ব ৰূপ বর্তমান। আনহাতে, ৰূপক, একতাল আদি দুই-এখন তালৰ বাহিৰে বৰগীত পদ্ধতিৰ আনবোৰ তালৰ নাম প্রচলিত হিন্দুস্থানী বা কর্ণাটকী শৈলীৰ তালৰ নামৰ লগত নিমিলিলেও প্রয়োগ বিধিৰ ফালৰ পৰা ভাৰতীয় শাস্ত্রীয় সঙ্গীতৰ তাল-বিধিৰ ওপৰত প্রতিষ্ঠিত।

আনহাতে, বৰগীতৰ ৰচনাশৈলী, সাঙ্গীতিক গাঁথনি আৰু পৰিৱেশন ৰীতিত এনে কিছুমান বৈশিষ্ট্য আছে যিবোৰৰ লগত অসমৰ মাটি-পানীৰ বিশেষ সম্পৰ্ক আছে আৰু সেই ফালৰ পৰা বৰগীতসমূহ অসমীয়া পৰম্পৰাৰ বস্তু। সেয়েহে জ্যোতিপ্রসাদ আগৰৱালা, বিষ্ণুপ্রসাদ ৰাভাৰ দৰে বিশেষজ্ঞ-চিন্তাবিদে বৰগীতৰ মাজেৰে স্বতন্ত্র অসমীয়া বা কামৰূপী ধাৰাৰ অস্তিত্ব দেখিবলৈ পাইছে।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ২ ঃ সত্রীয়া সঙ্গীতৰ বিষয়ে এটি টোকা প্রস্তুত কৰক। এই বিষয়ে বিভিন্ন গৱেষকে, সঙ্গীতজ্ঞই কি কি মত পোষণ কৰিছে সেই বিষয়েও উল্লেখ কৰক। (১৫০টা শব্দৰ ভিতৰত লিখক)

ভাৰতবর্ষৰ আন আন ঠাইৰ দৰে অসমতো অতি প্রাচীন কালৰে পৰা নৃত্যৰ— 'মার্গী' আৰু 'দেশী' এই দুয়োটা ধাৰা হাতত ধৰাধৰিকৈ চলি আহিছে। অসমৰ মার্গীয় বা শাস্ত্রীয় নৃত্য বুলিলে সত্রীয়া নৃত্য, দেৱদাসী নৃত্য, ওজাপালি নৃত্য প্রধান। অৱশ্যে সত্রীয়া নৃত্যই সর্বভাৰতীয় পটভূমিত শাস্ত্রীয় নৃত্য হিচাপে স্বীকৃতি পোৱা বেছি বছৰ হোৱা নাই। মহেশ্বৰ নেওগে সত্রীয়া সংস্কৃতিৰ অমূল্য সম্পদ নৃত্যসমূহক এনেদৰে নামকৰণ কৰিছে— সূত্রধাৰী নাচ, গোসাঁই প্ররেশৰ নাচ, গোপী প্ররেশৰ নাচ, যুদ্ধৰ নাচ, ধেমালি-চাহিনি, চালি নাচ, ৰজাঘৰীয়া নাচ, ঝুমুৰা নাচ, নাদু-ভঙ্গী, বেহাৰ নাচ, মানচোক নাচ, বৰ-প্ররেশৰ নাচ। প্রদীপ চলিহাই ইয়াক থোৰতে নটুৱা নাচ, সূত্রধাৰী নাচ, কৃষ্ণভঙ্গী আৰু গোপীভঙ্গী এইকেইটা ভাগত ভাগ কৰিছে।

- **নটুৱা নাচ ঃ** 'নটুৱা' শব্দটো 'নট' শব্দৰ ক্ষুদ্রত্ববাচক শব্দ ৰূপে ব্যৱহাৰ হয়। 'নটুৱা' শব্দটোৰ পৰাই বুজা যায় যে এই নাচ কম বয়সীয়া ল'ৰাইহে নাচে। অসমৰ আউনিআটী, গড়মূৰ, দক্ষিণপাট, কমলাবাৰী আদি সত্রত নটুৱা নাচ নামৰ এইবিধ অতি লাস্যপূর্ণ ধুনীয়া নাচৰ প্রচলন আছে। এই নাচখিনি তিথি-পার্বনত নামঘৰত মণিকূটৰ উপাস্য দেৱতাৰ আগত নাচে। এই নাচৰ 'পদচাৰী' বা ভৰিৰ কাম জটিল বিধৰ। শঙ্কৰদেৱৰ দিনতে এইবিধ নাচৰ প্রচলন আছিল। প্রচলিত প্রবাদ মতে, মাধৱদেৱে মন্দিৰৰ দেৱনর্ত্তকীসকলৰ আর্হিৰেই নামঘৰত চালি নাচৰ প্রৱর্তন কৰায়।
- **সূত্রধাৰী নৃত্য ঃ** মহাপুৰুষ শঙ্কৰদেৱে অঙ্কীয়া ভাওনা পাতি অসমত নাট অভিনয়ৰ পাতনি মেলে। শঙ্কৰদেৱে অঙ্কীয়া নাটত সংস্কৃত নাটৰ আর্হিৰেই সূত্রধাৰৰ প্রয়োগ কৰিলে। সংস্কৃত নাটকত সূত্রধাৰে নাচিছিল নে নাই জনা নাযায়। নান্দী গীতৰহে উল্লেখ আছে। ভৰতৰ নাট্যশাস্ত্রত কিন্তু সূত্রধাৰে নচাৰ বিধান আছে। সৌভাগ্যক্রমে অসমীয়া সূত্রধাৰৰ নৃত্যটো শাস্ত্রৰ বিধানৰ ঘাই কার্য। সূত্রধাৰৰ নৃত্য আৰু গীত দুয়োটাতেই সমানে দখল থাকিব লাগে।
- **কৃষ্ণভঙ্গী ঃ** অসমীয়া অঙ্কীয়া নাটসমূহত নায়ক সদায় শ্রীকৃষ্ণ বা ৰামচন্দ্র। এই নায়ক গৰাকী মঞ্চত প্ররেশ কৰোঁতে সাধাৰণ মানুহৰ দৰে খোজকাঢ়ি নাহে।নাচি নাচিহে ৰাইজৰ

আগত দেখা দিয়ে। দর্শক ৰাইজেও ডবা, শঙ্খ, জয়ধ্বনিৰে শ্রীকৃষ্ণ ৰূপী ভাৱৰীয়াজনক স্বাগতম জনায়। দর্শকৰ চকুত ভাৱৰীয়াজন সাক্ষাৎ পূর্ণব্রহ্ম।

শ্রীকৃষ্ণৰ ভঙ্গী নাচ আৰম্ভ হয় ৰাইজক কৰা প্রণিপাতেৰে। এখন আঁৰ কাপোৰৰ আঁৰ লৈ ভাৱৰীয়াজন পশ্চিম টুপত থকা অগ্নিগড়ৰ ভিতৰেদি সৰকি, আঁৰ কাপোৰৰ আঁৰতে ৰাইজলৈ আঁঠু লৈ সেৱা জনায়। আঁৰ কাপোৰ আঁতৰোৱাৰ লগে লগে ডবাত কোব পৰে। খোল, তাল, বৰকাঁহ, শংখধ্বনিৰ পাছত ৰাইজে সমস্বৰে জয়ধ্বনি কৰে বা আশীর্বাদ দিয়ে। তাৰ পিছতহে অতি বিলম্বিত লয়েৰে, আঁঠুকঢ়া অৱস্থাতে খোল-তালৰ লগে লগে কৃষ্ণভঙ্গী আৰম্ভ হয়।

- **গোপীভঙ্গী ঃ** সত্রীয়া নাচৰ অন্তর্গত এইবিধ নাচো এবিধ ভঙ্গী নাচ। গোপীভঙ্গী নাচৰ সময়ত অন্য স্ত্রী-ভাৱৰীয়ায়ো অর্থাৎ নায়িকায়ো নাচে। বেছিভাগ ক্ষেত্রত প্রৱেশৰ নাচেৰেই নায়িকা ৰংগস্থলীত প্রৱেশ কৰে। সাধাৰণতে ৰামলীলা বা অন্য বৃন্দাবন লীলাৰ গোপী সম্বন্ধীয় বিষয়তে গোপীভঙ্গী নাচ নাচে। গোপীভঙ্গী যৌথ নাচহে। এজনী গোপীয়ে অকলে নেনাচে। গোপী নাচৰ সাজ আগতে ঘুৰী, বুকুচোলা, অঞ্চল, কাঁচল, বুকুত পতিৰ বান্ধ আৰু ওড়না আছিল। বর্তমান দুই-এখন সত্রৰ বাহিৰে গোপী বা আন স্ত্রীবেশ সলনি হ'ল।



চিন্তা-চর্চা কৰক ১২.১

অধিক জানিবলৈত উল্লেখ থকা কিতাপসমূহৰ জৰিয়তে বিভিন্ন ভঙ্গীত সত্রীয়া নৃত্যৰ বিষয়ে এটি টোকা প্রস্তুত কৰক। পাৰিলে বিভিন্ন ভঙ্গীৰ একোখন ফটো সংগ্রহ কৰিবলৈ যত্ন কৰক।

পুৰণি অসমীয়া সাহিত্যলৈ সত্রৰ অৱদান ৰাজকীয় পৃষ্ঠপোষকতাতকৈ কোনো গুণে কম নহয়। বৰং কোনো কোনো দিশত অধিক বুলিয়েই ক'ব লাগিব। পুৰণি অসমীয়া সাহিত্য সৃষ্টিৰ অনুপ্রেৰণাৰ উৎস প্রধানকৈ দুটা— সত্র আৰু ৰজাঘৰ। শঙ্কৰ-মাধৱদেৱৰ নেতৃত্বত যি ধর্মীয় সাহিত্য গঢ়ি উঠিছিল সেই সাহিত্যৰ সৃষ্টিত সত্রানুষ্ঠানৰ প্রত্যক্ষ আৰু পৰোক্ষ প্রভাৱ অনস্বীকার্য। নাট, গীত, চৰিত সাহিত্য আদি সৃষ্টিৰ ক্ষেত্রত ঈর্ষা কৰিবলগীয়া স্থান সত্রই অধিকাৰ কৰি আছে।

সত্রসমূহৰ অন্যতম সাহিত্যিক অৱদান হ'ল অঙ্কীয়া নাটসমূহ। মহাপুৰুষ দুগৰাকীৰ আর্হিত পৰৱর্তী বৈষ্ণৱ সন্ত-মহন্তসকলেও অলেখ নাট ৰচনা আৰু অভিনয় কৰি গৈছে। সকলো সত্রত সঞ্চিত হৈ থকা নাটসমূহ একগোট কৰিলে পুৰণি নাটৰ এটা সৰু গ্রন্থাগাৰ হৈ যায়। শঙ্কৰদেৱৰ সৃজনীশীল প্রতিভা বৈষ্ণৱ আন্দোলন সফল কৰি তোলাত প্রয়োগ কৰিছিল। ভৰতৰ নাট্যশাস্ত্র, সংস্কৃত ৰূপকৰ আর্হি আৰু থলুৱা উপাদানৰ সমন্বয়ত শঙ্কৰদেৱে অঙ্কীয়া নাট সৃষ্টি কৰি চৰিত্র আৰু সংলাপৰ মাধ্যমত কৃষ্ণৰ ঐশ্বৰিক-অভিব্যক্তি প্রকাশ কৰি শ্রোতা দর্শকৰ মনত ভক্তিৰ কঠীয়া সিঁচিছিল।

অঙ্কীয়া নাটৰ মুখ্য উদ্দেশ্য হ'ল ভগৱান তথা দেৱ-দেৱীৰ মাহাত্ম্য প্ৰকাশক লীলাসমূহ দৃশ্যৰূপত উপস্থাপন কৰি জনসাধাৰণক ধৰ্মৰ প্ৰতি আকৰ্ষণ কৰা আৰু গৌণ উদ্দেশ্য হ'ল দৰ্শকক মনোৰঞ্জন কৰা। অঙ্কীয়া নাটসমূহে দৰ্শকৰ চিত্তবিনোদনৰ কৰাৰ লগে লগে ভগৱতী ধৰ্মলৈ দৰ্শকৰ মন আকৰ্ষণ কৰি নিছিল। নাট্যানুষ্ঠানক ধৰ্ম প্ৰচাৰৰ অন্যতম মাধ্যম ৰূপে গ্ৰহণ কৰিলেও অভিনয় সৰ্বাঙ্গসুন্দৰ কৰিবৰ বাবে চেষ্টাৰ কোনো ত্ৰুটি কৰা নাছিল। ফলত অঙ্কীয়া নাটৰ অভিনয়ে এক কলাত্মক অভিব্যক্তি ৰূপে জনসমাজত সমাদৃত হয়। অঙ্কীয়া নাটৰ বিভিন্ন দিশ সম্পৰ্কে ইতিমধ্যে আপুনি এই ষাণ্মাসিকৰে তৃতীয় কাকতত অধ্যয়ন কৰি আহিছে। সেয়ে ইয়াত আৰু একেখিনি কথা বহলাই আলোচনা কৰা নহ'ল।

১২.৬ সত্রীয়া চিত্রকলা

ভাৰতীয় পৰম্পৰাত কলা আৰু ধৰ্মৰ ওতঃপ্ৰোত সম্বন্ধ দেখা যায়। তদুপৰি ধৰ্ম প্ৰচাৰৰ মাধ্যম স্বৰূপে চাৰুকলা সদায় নিয়োজিত হৈ আহিছে। অসমৰ ধৰ্মজগততো চিত্রকলা একে উদ্দেশ্যেৰে ব্যৱহৃত হৈ আহিছে। সত্রসমূহেই অসমত বৈষ্ণৱ ধৰ্ম প্ৰচাৰৰ মূল কেন্দ্ৰ আছিল। সেইবাবে এই সত্রসমূহত বা সত্রৰ সংস্পৰ্শত উৎপত্তি হোৱা কলাসমূহক সত্রীয়া চিত্রকলা বুলি অভিহিত কৰা হয়।

সত্রীয়া চিত্রকলাই অসমত কেতিয়াৰ পৰা গঢ় ল'লে তাক খাটাংকৈ কোৱা টান। শঙ্কৰদেৱৰ পূৰ্বতেও অসমত চিত্রকলাৰ প্ৰচলন আছিল। একাধিক বাৰ ভাৰত ভ্ৰমণ কৰি শ্ৰীমন্ত শংকৰে ভাৰতীয় কৃষ্টিৰ সম্ভাৰেৰে ধৰ্ম আৰু কলাৰ সাতখলপীয়া সিংহাসন স্থাপন কৰিলে। সেই কালত প্ৰচলিত উত্তৰ ভাৰতীয় চিত্রকলাৰ লগত সত্রীয়া চিত্রকলাৰ কিছু সাদৃশ্য আছে বুলি চিত্রকলাৰ আলোচকসকলে মন্তব্য কৰিছে।

অসমত বৈষ্ণৱপন্থীসকলে কবিতা, নাটক, সঙ্গীত ৰচনা আৰু চিত্রকলাত নৱ-সৃষ্টিৰ অনুপ্ৰেৰণাৰে অনুপ্ৰাণিত হৈ উঠিছিল। এই ভাগৰ বৈষ্ণৱ সম্প্ৰদায়ৰ অন্যতম নায়ক শঙ্কৰদেৱ এজন কবি, নাট্যকাৰ, সঙ্গীতজ্ঞৰ উপৰি অসামান্য দক্ষতাৰ চিত্রশিল্পীও আছিল। কেনেকৈ তেওঁ চিহ্নযাত্রা নামৰ ভাওনাৰ কাৰণে তুলাপাতত সাতখন বৈকুণ্ঠৰ চিত্র আঁকিছিল সেই কথা চৰিত পুথিৰ চৰিত্রকাৰে বৰ্ণনা কৰিছে। আনহাতে, শঙ্কৰদেৱে তুলাপাতত হেঙুল-হাইতালেৰে হাতীৰ ছবি আঁকি তাক কাঠৰ পাত্র এটাত খুৱাই লৈ তেওঁৰ পৃষ্ঠপোষক ৰজা নৰনাৰায়ণক উপহাৰ দিছিল। আনহাতেদি তেওঁ ছকুৰি হাত দীঘল কাপোৰ এখনত শ্ৰীকৃষ্ণৰ বৃন্দাবন-লীলাৰ ছবিবোৰ তাঁতত বৈ উলিয়াইছিল।

১২.৭ সত্রৰ ধৰ্মীয় আচাৰ

সত্রৰ ধৰ্মীয় আচাৰ বা কৃত্যসমূহ প্ৰধানকৈ দুই ভাগত ভগাব পাৰি— নিত্য আৰু নৈমিত্তিক। নিত্য-কৃত্যৰ ভিতৰত পৰে দৈনন্দিন প্ৰসঙ্গ। এই প্ৰসঙ্গৰ সংখ্যা মহাপুৰুষীয়া সত্রত চৌধ্য আৰু

দামোদৰীয়া সত্রত বাৰ। সত্র কোন সংহতিৰ অন্তর্ভুক্ত সেই লৈয়ো দৈনন্দিন প্রসঙ্গৰ আগ-পিছ ইফাল-সিফাল হয়। পুৱা, বিয়লি আৰু সন্ধ্যা— এই তিনি বেলাত অনুষ্ঠিত বিভিন্ন কার্যসূচীৰ সমষ্টিয়েই হ'ল চতুর্দশ বা দ্বাদশ প্রসঙ্গ। এই প্রসঙ্গসমূহৰ ভিতৰত নাম-কীর্তন, ঘোষা পাঠ, বৰগীত বা অন্য গীত গোৱা, ভটিমা, কীর্ত্তন, ভাগৱত পাঠ, পদ-পাঠ আদিয়েই প্রধান। সকলো সত্রই একে ক্রম বা পদ্ধতি অনুসৰণ নকৰে। সংহতি কেইটাৰ মাজতো কার্যক্রমৰ যথেষ্ট প্রভেদ লক্ষ্য কৰা যায়। কোনো কোনো সত্রত স্বকীয় গীত-মাতকো প্রসঙ্গৰ ভিতৰত স্থান দিয়া দেখা যায়। সকলো সত্রতে বিশেষকৈ গৃহী সত্রত দিনৌ চৈধ্য বা বাৰ প্রসঙ্গ নহয়। বিশেষ উপলক্ষেহে সম্পূর্ণ চৈধ্য বা বাৰ প্রসঙ্গ কৰে।

নৈমিত্তিক-কৃত্যৰ ভিতৰত সত্রীয়া উৎসৱ আৰু পর্বসমূহ তিথি অনুসৰি পালন কৰে। জন্মাষ্টমী, ৰাসযাত্রা, ফল্গু উৎসৱৰ উপৰি সত্রবিশেষে ৰথযাত্রা আদিও পালন কৰে। দামোদৰী বা ব্রহ্ম সংহতিৰ সত্রত নাৰায়ণৰ শয়ন, পার্শ্বপৰিৱর্তন আৰু উত্থান তিথিও পালন কৰে। বৰপেটাৰ দৌল উৎসৱ, দক্ষিণপাট সত্রৰ ৰাস, আউনিআটীৰ পালনাম অসম বিখ্যাত। তদুপৰি মহাপুৰুষ কেইগৰাকীৰ, সত্র প্রতিষ্ঠাতাসকলৰ আৰু সংহতি প্রতিষ্ঠাতাসকলৰ তিৰোধান তিথি সত্রসমূহ বিশেষে ধুমধামেৰে পালন কৰে। বৰপেটা সত্রত শঙ্কৰদেৱৰ তিৰোধান তিথি সাত দিন ব্যাপি আৰু মাধৱদেৱৰ তিৰোধান তিথি দহদিনীয়াকৈ পালন কৰা হয়। একেদৰে ছমৰীয়া সত্রত বৰ বিষ্ণু আতাৰ তিথি তিনিদিনীয়াকৈ পালন কৰা হয়। কোনো কোনো সত্রত শঙ্কৰ-মাধৱৰ তিথিত নাওখেল প্রতিযোগিতাৰো আয়োজন কৰা হয়। তেনেদৰে শোভাযাত্রা, ভাগৱত ভ্রমণ, পালনাম, ভাগৱত পাঠ আদি সত্রসমূহৰ একো একোটা এৰাব নোৱাৰা উৎসৱ। এই সত্রসমূহতেই বছৰত এবাৰকৈ ভাওনা প্রদর্শন বা নাটমেলাৰ আয়োজন দেখা যায়। 'বাৰেচহৰীয়া ভাওনা' এনে প্রয়াসৰেই ফল। বহুবোৰ সত্রত মহাপুৰুষ দুজনাৰ উপৰি তেওঁলোকৰ অনুগামী শিষ্যসকলৰ জন্ম বা মৃত্যুত 'সভা' অনুষ্ঠিত কৰাৰ ৰীতিও চলি আহিছে। ভাদ মাহটোত শঙ্কৰদেৱ আৰু মাধৱদেৱৰ তিথি অনুষ্ঠিত হয় কাৰণে এই মাহটোক পৱিত্র মাহ হিচাপে গণ্য কৰা হয়। সত্রৰ গায়ন-বায়নে এনেবোৰ ক্ষেত্রত বিশেষ ভূমিকা পালন কৰে। এনেদৰে আলোচনা কৰিলে দেখা যায় যে, বছৰটোৰ প্রায় প্রত্যেকটো মাহতে অসমৰ সত্রসমূহত বিভিন্ন উৎসৱ-পার্বণ অনুষ্ঠিত হৈ থাকে। নিয়মীয়া চৈধ্য প্রসঙ্গৰ উপৰি উৎসৱ-পার্বণসমূহৰ পালনে সত্রসমূহত ধর্মীয় তথা আধ্যাত্মিক পৱিৱেশ সৃষ্টিত সহায় কৰি আহিছে।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ৩ ঃ সত্রীয়া আচাৰ-নীতি সম্পর্কে এটি টোকা প্রস্তুত কৰক। ভিন্ ভিন্ সংহতিৰ সত্রসমূহত এই আচাৰ-নীতিৰ ক্ষেত্রত থকা বৈপৰীত্যখিনিও লিপিবদ্ধ কৰক। (১৫০টা শব্দৰ ভিতৰত লিখক)



১২.৮ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- 'সত্রীয়া সংস্কৃতি' শীৰ্ষক এই অধ্যায়টি সূক্ষ্মভাৱে অধ্যয়ন কৰাৰ পিছত আমি সত্র আৰু ইয়াৰ আনুষংগিক বিভিন্ন দিশৰ বিষয়ে অৱগত হ'বলৈ সক্ষম হ'লো। সত্র কাক বোলে,সত্রসমূহৰ গঠন প্রণালী আৰু ইয়াৰ শ্রেণীবিভাজন সম্পর্কে জানিব পাৰিলোঁ।
- সত্রীয়া সঙ্গীত আৰু নৃত্যৰ বিষয়ে এই অধ্যায়ৰ পৰা জ্ঞাত হ'লো। আনহাতে গম পালোঁ যে, অসমৰ চিত্রকলাৰ এক অবিচ্ছেদ্য অঙ্গ হৈছে সত্রীয়া চিত্রকলা।
- সত্রক কেন্দ্র কৰি বছৰটোৰ বিভিন্ন সময়ত বিভিন্ন উৎসৱ-পার্বণ অনুষ্ঠিত হৈ থাকে। এইবোৰে সত্রীয়া ধর্মীয় আচাৰ ব্যৱস্থাটোক সজীৱ কৰি ৰাখিছে। সত্রীয়া সংস্কৃতিয়ে অসমীয়া জাতীয় জীৱনৰ সাহিত্য, সঙ্গীত, নৃত্য, চিত্রকলা, ধর্মীয় আদি প্রায়বোৰ দিশকে স্পর্শ কৰি অভূতপূর্বভাৱে অৱদান আগবঢ়াই আহিছে।



১২.৯ অধিক জানিবলৈ

অসমীয়া গ্রন্থ ঃ

১) গগৈ, লীলা (১৯৮৬); *অসমৰ সংস্কৃতি*; গুৱাহাটী ঃ বনলতা।

২) দেৱগোস্বামী, কেশৱানন্দ (২০০১); *ভাৰতীয় পটভূমিত শঙ্কৰী সাহিত্য আৰু সত্রীয়া সঙ্গীত*; গুৱাহাটী ঃ বনলতা।

৩) নেওগ, মহেশ্বৰ (১৯৭৫); *সত্রীয়া নৃত্য আৰু সত্রীয়া নৃত্যৰ তাল*; গুৱাহাটী ঃ অসম প্রকাশন পৰিষদ।

৪) নেওগ, মহেশ্বৰ (১৯৮৭); *শ্রীশ্রীশঙ্কৰদেৱ*; পাণবজাৰ, গুৱাহাটী ঃ চন্দ্র প্রকাশ।

৫) নেওগ, হৰিপ্রসাদ;গগৈ, লীলা (সম্পাঃ) (১৯৮৯); *অসমীয়া সংস্কৃতি*; গুৱাহাটী ঃ বনলতা।

৬) শর্মা, হেমন্ত কুমাৰ (সম্পাঃ) (১৯৭৮); *অসম গৌৰৱ*; অসমীয়া বিভাগ, কটন কলেজ।

ইংৰাজী গ্রন্থ ঃ

৭) Neog, Maheswar (1965); *Sankaradeva and His Times.* Guwahati: Gauhati University.

৮) Sarma, S. N. (1966); *The New Vaisnavite Movement and the Satra Institute of Assam;* Guwahati: Gauhati University.

১২.১০ অগ্রগতিৰ খতিয়ান (কেৱল ৰূপৰেখা)

১নং প্রশ্নৰ উত্তৰ ঃ সত্রৰ সংজ্ঞা... ...শঙ্কৰদেৱ, মাধৱদেৱ আৰু তেওঁলোকৰ শিষ্য-প্রশিষ্যসকলে প্রতিষ্ঠা কৰা সত্রসমূহৰ চমু আভাস, সত্রৰ 'চাৰি সংহতি'ৰ অর্থ... ...চাৰি সংহতিৰ প্রতিষ্ঠাতা কেইগৰাকী.... চাৰি সংহতিৰ অন্তর্গত সত্রসমূহৰ উল্লেখ।

২নং প্রশ্নৰ উত্তৰ ঃ সত্রীয়া সঙ্গীতৰ চমু পৰিচয়... ...সত্রীয়া সঙ্গীতৰ শ্রেণীবিভাজন... ...বিভিন্ন গৱেষক, সঙ্গীতজ্ঞৰ মতামত ইত্যাদি উল্লেখ কৰিব লাগিব।

৩নং প্রশ্নৰ উত্তৰ ঃ সত্রীয়া আচাৰ-নীতি প্রধানতঃ কি কি... ...ভিন্ ভিন্ সংহতিৰ সত্রসমূহত এই আচাৰ-নীতিৰ ক্ষেত্রত থকা বৈপৰীত্যখিনি কি কি... ...সত্রসমূহৰ প্রধান উৎসৱ-অনুষ্ঠানসমূহ কি কি সেই বিষয়ে লিখিব লাগিব।



১২.১১ আৰ্হি প্রশ্ন

প্রশ্ন ১ ঃ অসমৰ সত্রসমূহক সংহতি অনুযায়ী কেইটা ভাগত ভগাব পাৰি উদাহৰণসহ আলোচনা কৰক।

প্রশ্ন ২ ঃ 'সত্র' শব্দটোৰ অর্থ তথা সংজ্ঞা নিৰূপণ কৰি সত্রৰ গঠন প্রণালীৰ এটি আভাস দিয়ক।

প্রশ্ন ৩ ঃ অসমীয়া জাতীয় জীৱনলৈ সত্রীয়া সংস্কৃতিৰ অৱদান সম্পর্কে এটি আলোচনা আগবঢ়াওক।

প্রশ্ন ৪ ঃ সত্রীয়া গীত আৰু নৃত্যৰ বিষয়ে এটি আলোচনা আগবঢ়াওক।

প্রশ্ন ৫ ঃ অসমৰ সত্রীয়া পুথিচিত্রৰ বিষয়ে এটি টোকা প্রস্তুক কৰক।

প্রশ্ন ৬ ঃ অঙ্কীয়া নাটৰ ক্ষেত্রত সত্রসমূহৰ অৱদানৰ বিষয়ে এটি টোকা লিখক।

প্রশ্ন ৭ ঃ অসমৰ সত্রসমূহত বছৰটোৰ বিভিন্ন সময়ত কি কি উৎসৱ-পার্বণ অনুষ্ঠিত হয় সেই বিষয়ে এটি প্রবন্ধ যুগুত কৰক।

*** ***** ***